পাঠ-১৪

# স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা



আমাৰ ভাৰতবৰ্ষ এখন স্বাধীন দেশ। ভাৰতৰ প্ৰাকৃতিক, সামাজিক, সাংস্কৃতিক পৰিৱেশ অতি মনোমোহা। আমি সকলোৱে আমাৰ দেশখনক লৈ গৌৰৱবোধ কৰোঁ। পিছে আমাৰ দেশখন এসময়ত বৃটিছ শাসকৰ অধীনত আছিল। তেওঁলোকৰ ইচ্ছানুসাৰে দেশখন শাসিত হৈছিল। বৃটিছসকল ভাৰতৰ শাসনত অধিষ্ঠিত হ'বৰ পৰাই ভাৰতীয় লোকসকলে তেওঁলোকৰ কাৰ্যকলাপক সহজভাৱে মানি ল'ব পৰা নাছিল। কাৰণ ভাৰতীয় লোকসকল বহুসময়ত বৃটিছৰ অন্যায় অত্যাচাৰৰ বলি হ'বলগীয়া হৈছিল। ফলত ভাৰতীয় লোকসকল অসন্তুষ্ট হৈ বৃটিছ শাসনৰ বিৰুদ্ধে প্ৰতিবাদ কৰি বিদ্ৰোহী হৈ উঠিছিল। এনেকৈ আমাৰ দেশৰ স্বাধীনতাৰ হকে বৃটিছৰ শাসনৰ বিৰুদ্ধে কৰা যুঁজ বা বিদ্ৰোহসমূহেই আছিল আমাৰ **স্বাধীনতা আন্দোলন**। গোটেই দেশজুৰি এই বিদ্ৰোহ বিয়পি পৰিছিল। আমাৰ ৰাজ্য অসমতো এই বিদ্ৰোহৰ প্ৰভাৱ পৰিছিল। অসমত হোৱা বিদ্ৰোহসমূহত বহুতো অসমীয়াই অংশগ্ৰহণ কৰিছিল।

➤ আমাৰ দেশ স্বাধীন হোৱাৰ আগতে কাৰ অধীনত আছিল?

এসময়ত অসম ৰাজ্যখন আহোম ৰজাসকলে শাসন কৰিছিল। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসাৰে অসমখন বৃটিছৰ অধীনলৈ যায়। লগে লগে ছশ বছৰীয়া আহোম ৰাজত্বৰ অন্ত পৰে। প্ৰকৃততে তেতিয়াৰ পৰাই অসমীয়া লোকে বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ কৰিছিল। বৃটিছ শাসনৰ বিৰোধিতা কৰা অসমৰ কেইগৰাকীমান ব্যক্তিৰ নাম হৈছে— **গোমধৰ কোঁৱৰ, পিয়লি ফুকন, জীউৰাম দুলীয়া বৰুৱা, মণিৰাম দেৱান, পিয়লি বৰুৱা, ফৰ্মুদ আলি, দুতিৰাম বৰুৱা, বাহাদুৰ গাওঁবুঢ়া আদি।**

আহোম ৰজাৰ শাসনৰ সময়তে ব্ৰহ্মদেশৰ (বৰ্তমানৰ ম্যানমাৰ) সেনাই অসম ৰাজ্যত সোমাই এক অৰাজকতাৰ সৃষ্টি কৰিছিল। উপায়ান্তৰ হৈ তেতিয়াৰ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড আৰ্মহাৰ্ষ্টে তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। যুদ্ধত ব্ৰহ্মদেশীয় সেনা পৰাজিত হয়। ফলত ১৮২৬ চনত ব্ৰহ্মদেশৰ ৰজা আৰু ইংৰাজ সেনাপতিৰ মাজত এক সন্ধি হয়। ইয়েই বিখ্যাত **ইয়াণ্ডাবু সন্ধি**। এই সন্ধিমতে ব্ৰহ্মদেশৰ ৰজাই অসম ৰাজ্যক ইংৰাজৰ হাতত এৰি দিবলৈ বাধ্য হয়।

**জানি লওঁ আহা—**

- ১৮২৬ চনত বৃটিছ শাসনৰ বিৰোধিতা কৰা প্ৰথম অসমীয়া ব্যক্তি আছিল গোমধৰ কোঁৱৰ। তেওঁক ইংৰাজসকলে বন্দী কৰিছিল।
- ১৮৩০ চনত পিয়লি ফুকনে ইংৰাজক অসমৰ পৰা খেদিবলৈ বিদ্ৰোহ কৰিছিল। ৰংপুৰৰ চিপাহীৰ চাউনীত জুই দিয়া অৱস্থাতে পিয়লি ফুকন ধৰা পৰে। বিচাৰত পিয়লি ফুকন আৰু তেওঁৰ সহযোগী জীউৰাম দুলীয়া বৰুৱাৰ ফাঁচি হৈছিল।
- ১৮৫৭ চনত ইংৰাজ শাসনৰ বিৰুদ্ধে ভাৰতত এটি ডাঙৰ বিদ্ৰোহ হৈছিল। ইয়াকে **চিপাহী বিদ্ৰোহ** বুলি কোৱা হয়। কিছুমানৰ মতে ই ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম। ১৮৫৭ চনত চিপাহী বিদ্ৰোহ গোটেই উত্তৰ-পূব ভাৰতত বিয়পি পৰিছিল। অসমত হোৱা এই বিদ্ৰোহৰ গুৰি ধৰিছিল মণিৰাম দেৱানে। কিন্তু ইংৰাজে এই বিদ্ৰোহৰ উমান পাই মণিৰাম দেৱান আৰু তেওঁৰ সহযোগী পিয়লি বৰুৱাক দেশদ্ৰোহী সজাই ফাঁচি দিছিল।

➤ তোমাৰ অঞ্চলৰ স্বাধীনতা সংগ্ৰামীসকলৰ বিষয়ে শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা জানি লোৱা।



ইংৰাজসকলে স্বাধীনতা প্ৰেমী অসমীয়াসকলক দমন কৰি শাসন কৰিছিল। ১৮৫৮ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা সমগ্ৰ ভাৰতৰ লগতে অসমৰ শাসনভাৰ বৃটিছ চৰকাৰে লয়। উল্লেখযোগ্য যে ১৮৫৭ চনত হোৱা চিপাহী বিদ্ৰোহৰ খৰচ বহন কৰিবৰ বাবে চৰকাৰে মাটিৰ খাজনাৰ পৰিমাণ বৃদ্ধি কৰি কৃষকসকলক শোষণ কৰিছিল। আনকি পাণ-তামোল, কাঠ, বাঁহ-বেত আদিৰ ওপৰতো কৰ বহুৱাইছিল। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ অসমৰ কৃষকসকলে বৃটিছ শাসকৰ বিৰুদ্ধে এলানি বিদ্ৰোহ কৰিছিল। কৃষকসকলে আগভাগ লোৱাৰ বাবে এই বিদ্ৰোহসমূহক **কৃষক বিদ্ৰোহ** বোলে।

## কৃষক বিদ্ৰোহৰ বিষয়ে কিছু কথা জানি লওঁ আহা —

### ফুলগুৰিৰ ধেৱা—

১৮৬১ চনত ইংৰাজসকলে আইন কৰি আফু খেতি বন্ধ কৰিছিল। নগাঁও জিলাৰ ফুলগুৰিৰ কৃষকসকলে ইংৰাজসকলৰ লগত এই বিষয়ে আলোচনা কৰিবলৈ এখন সভা পাতিছিল। কিন্তু ইংৰাজসকলে এই সভাত কৃষকৰ ওজৰ-আপত্তি শুনাৰ পৰিবৰ্তে জোৰ-জুলুম কৰি সভা ভাঙিবলৈ চেষ্টা কৰিছিল। ইংৰাজৰ এই কাৰ্যত কৃষকসকল অসন্তুষ্ট হৈ ইংৰাজ চিপাহীৰ লগত খণ্ড যুদ্ধত লিপ্ত হৈছিল। এই খণ্ডযুদ্ধত ইংৰাজ চাহাব এজনৰ মৃত্যু হৈছিল। ইংৰাজ চাহাবজনৰ মৃত্যুৰ চাৰিদিন পিছত ফুলগুৰিৰ কৃষকসকলে আকৌ সভা পাতি মিলিত হৈছিল। ইংৰাজে এই খবৰ পাই সভাত গোট খোৱা ৰাইজক ঘেৰি ধৰি তেওঁলোকৰ ওপৰত গুলীবৰ্ষণ কৰিছিল। ইংৰাজৰ আক্ৰমণত বহুজনৰ মৃত্যু হৈছিল আৰু কিছুমান ঘুণীয়া হৈছিল। কিছুমানক ইংৰাজসকলে বন্দী কৰি ফাঁচি দিছিল আৰু কিছুমানক যাৱজ্জীৱন কাৰাদণ্ড বিহিছিল। ইংৰাজৰ বিপক্ষে সংঘটিত হোৱা এইটোৱেই আছিল প্ৰথম কৃষক বিদ্ৰোহ।



ফুলগুৰিৰ স্মৃতিসৌধ

### পথৰুঘাটৰ কৃষক বিদ্ৰোহ —

ইংৰাজ চৰকাৰে ৰাজহ বৃদ্ধিৰ উদ্দেশ্যে মাটিৰ শ্ৰেণী বিভাজন কৰি প্ৰতি দহ বছৰৰ মূৰত খাজনাৰ পৰিমাণ নিৰ্ধাৰণ কৰিছিল। এই লৈ কৃষকসকল অসন্তুষ্ট হৈছিল। ১৮৯৪ চনৰ ২৮ জানুৱাৰীত দৰং অঞ্চলৰ বৃহৎসংখ্যক কৃষকে তেওঁলোকৰ ওজৰ-আপত্তি দৰ্শাবলৈ দৰং জিলাৰ পথৰুঘাটৰ ডাক-বঙলালৈ গৈছিল। কিন্তু বিদেশী ইংৰাজ শাসকবৰ্গই ৰাইজৰ কোনো কথা নুশুনি কেৱল নিৰীহ ৰাইজৰ ওপৰত গুলীবৰ্ষণহে কৰিছিল। বৃটিছৰ গুলীত ১৪০ জন কৃষক ছহিদ হৈছিল আৰু কিছুমান ঘুণীয়াও হৈছিল।



পথৰুঘাটৰ ছহিদ বেদী

### ৰঙিয়াৰ ৰাইজ মেল —

ইংৰাজে মাটিৰ খাজনাৰ হাৰ সময়ে সময়ে বঢ়াই গৈ আছিল। তাৰোপৰি কৰ পৰিশোধৰ বাবে মুদ্ৰাৰ ব্যৱস্থা কৰাত কৃষক ৰাইজ বৰ অসুবিধাত পৰিছিল। কিয়নো আহোম ৰাজত্বকালত উৎপাদিত সামগ্ৰী বা শ্ৰমদান কৰিয়েই ৰজাক কৰ পৰিশোধ কৰা নিয়ম আছিল। সেয়েহে দিশহাৰা হৈ বৰ্তমানৰ গ্ৰাম্য কামৰূপ জিলাৰ অন্তৰ্গত ৰঙিয়াৰ ৰাইজে মেল পাতি কৰ নিদিবলৈ সিদ্ধান্ত লৈছিল। কণ গোস্বামীৰ নেতৃত্বত কেইগৰাকীমান ব্যক্তিয়ে বৰ্দ্ধিত কৰ ৰেহাইৰ বাবে আৱেদনসহ তেতিয়াৰ জিলা উপায়ুক্ত মেকাব চাহাবক অনুৰোধ কৰিবলৈ যায়। উপায়ুক্তই আৱেদনকাৰীসকলৰ অনুৰোধ উপেক্ষা কৰি তেওঁলোকক বন্দী কৰি থৈছিল। ১৮৯৪ চনত এই বন্দীসকলক এৰি দিবৰ বাবে অনুৰোধ কৰিবলৈ প্ৰায় তিনি হাজাৰৰো অধিক কৃষক ৰঙিয়াত সমৱেত হৈছিল। কিন্তু উপায়ুক্তই এই সমাৱেশ বে-আইনী ঘোষণা কৰি ৰাইজৰ ওপৰত গুলীবৰ্ষণ কৰিছিল। এই গুলীচালনাত বহু কৃষকে প্ৰাণ আহুতি দিব লগা হৈছিল। এয়াই ৰঙিয়াৰ ৰাইজ মেলৰ করুণ ইতিহাস।



ৰাইজ মেল

একেসময়তে অবিভক্ত কামৰূপৰ বজালী, লাছিমা, বৰমা, হাজো, নলবাৰী, পাতিদৰং, টিহু, বৰভাগ আৰু নামবৰভাগ অঞ্চলত কৃষক বিদ্ৰোহ বিয়পি পৰিছিল। তাৰ বাবে কৃষকসকলে স্থানীয়ভাৱে ৰাইজ মেলবোৰ অনুষ্ঠিত কৰিছিল। বৰ্ধিত খাজনা নিদিয়াৰ সিদ্ধান্তই আছিল আটাইবোৰ কৃষক বিদ্ৰোহৰ প্ৰধান উদ্দেশ্য।

➤ শিক্ষক-শিক্ষয়িত্ৰীৰ সহায়ত অসমৰ মানচিত্ৰত তলত দিয়া ঠাইসমূহ বিচাৰি উলিওৱা আৰু সেইবোৰ কোন কোন জিলাৰ অন্তৰ্গত লিখা—

**গহপুৰ, ৰঙিয়া, ফুলগুৰি, পথৰুঘাট, হাজো, নলবাৰী, বজালী, টিহু, সৰুপথাৰ**

সেইদৰে অসমত ইংৰাজৰ বিৰুদ্ধে বহুতো সৰু-বৰ আন্দোলন হৈছিল। এই আন্দোলনসমূহৰ গুৰি ধৰিছিল কৃষক আৰু সাধাৰণ ৰাইজে। ইয়াৰ কিছু বছৰৰ পিছতেই মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত সমগ্ৰ ভাৰতত অহিংস গণতান্ত্ৰিক আন্দোলন আৰম্ভ হৈছিল। অসমতো এই আন্দোলনে ব্যাপক সঁহাৰি লাভ কৰিছিল। মহাত্মা গান্ধীৰ আহ্বানক সঁহাৰি জনাই ভাৰতৰ স্বাধীনতাৰ হকে কৰা এই আন্দোলনত অসমৰ বহুতো পুৰুষ-মহিলাই অংশগ্ৰহণ কৰি নানা প্ৰকাৰৰ নিৰ্যাতন ভুগিছিল, বহুতে প্ৰাণ বলিও দিছিল।

## ১৯২০ চনৰ পৰা ১৯৪৭ চনলৈ হোৱা আন্দোলনসমূহ জানি লওঁ আহা —

১৯২০-২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত **অসহযোগ আন্দোলন** হৈছিল। সমগ্ৰ অসমবাসীয়ে এই আন্দোলনত ভাগ লৈছিল। অসমত এই আন্দোলনৰ নেতৃত্ব দিয়া কেইগৰাকীমান ব্যক্তিৰ নাম হৈছে — **চন্দ্ৰনাথ শৰ্মা, তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, নলিনীবালা দেৱী, শ্যামাচৰণ দেৱ, হাজী মতছীম আলী চৌধুৰী, গঙ্গাদয়াল দীক্ষিত আদি নেতাসকল।**



নলিনীবালা দেৱী



অসহযোগ আন্দোলনৰ আৰম্ভণিতে মহাত্মা গান্ধী অসমলৈ আহিছিল আৰু নিজেই বিদেশী কাপোৰ বৰ্জনৰ বাবে আহ্বান জনাই কাপোৰৰ দ'মত জুই লগাই দিছিল। অসমৰ মানুহেও বিদেশী কাপোৰ বৰ্জন কৰি স্বদেশী কাপোৰ ব্যৱহাৰ কৰিবলৈ অভ্যাস কৰিছিল। ঘৰে ঘৰে যঁতৰত সূতা কাটি কাপোৰ তৈয়াৰ কৰিবলৈ আৰম্ভ কৰিছিল। সেই সময়তে নলিনীবালা দেৱীয়ে এৰাতিৰ ভিতৰতে বহুকেইটা গান্ধী টুপী বৈ উলিয়াইছিল। এই আন্দোলনত যোগদান কৰা প্ৰায় চাৰি হাজাৰ লোকক ইংৰাজ চৰকাৰে কাৰাগাৰত বন্দী কৰি থয়।

ইংৰাজ চৰকাৰে আমাৰ দেশখন চলাবৰ কাৰণে কিছুমান আইন কৰিছিল। আমাৰ দেশবাসীয়ে সেই আইনবোৰ মানি ল'ব খোজা নাছিল। সেইবাবে ১৯৩০-৩২ চনলৈ দেশত **আইন অমান্য আন্দোলন** হৈছিল। এই আন্দোলনত অংশগ্ৰহণ কৰা অসমৰ কেইগৰাকীমান উল্লেখযোগ্য ব্যক্তিৰ নাম হৈছে— **হেমচন্দ্ৰ বৰুৱা, অমিয়কুমাৰ দাস, ৰমণীমোহন ৰায়, সিদ্ধিনাথ শৰ্মা, চন্দ্ৰপ্ৰভা শইকীয়ানী, পুষ্পলতা দাস, গোলাম ছবিৰ খান আদি।**



১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে গোটেই ভাৰতবৰ্ষত মহাত্মা গান্ধীৰ নেতৃত্বত **ভাৰত ত্যাগ আন্দোলন** আৰম্ভ হয়। এই আন্দোলনৰ জৰিয়তে ইংৰাজ চৰকাৰক ভাৰত ত্যাগ কৰিবলৈ দাবী জনোৱা হৈছিল। অসমতো এই আন্দোলনে অভূতপূৰ্ব সঁহাৰি পাইছিল। অসমত এই আন্দোলনত নেতৃত্ব দিয়া কেইগৰাকীমান লোকৰ নাম হৈছে — **গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, মঃ তৈয়বুল্লা, ফখৰুদ্দিন আলি আহমেদ, কমলা মিৰি, ভীমবৰ দেউৰী, অৰুণকুমাৰ দে, সৰলাবালা দেৱ আদি।**



বৃটিছে অতি কঠোৰভাবে এই আন্দোলন দমন কৰিবলৈ চেষ্টা কৰিছিল। ফলত ইংৰাজৰ হাতত অসমৰ বহু বীৰ-বীৰাংগনাই প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছিল। হাজাৰ হাজৰ লোক কাৰাগাৰত বন্দী হৈছিল।

- ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে দৰং জিলাৰ চতিয়া, বৰবিল, নাহৰবাৰী, জহামাৰী আদি গাঁৱৰ প্ৰায় ৫-৬ হাজাৰ লোক সমবেত হৈ **ঢেকীয়াজুলি** পুলিচ থানাত জাতীয় পতাকা উত্তোলন কৰিবলৈ আহিছিল। থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই প্ৰথমে লাঠী চালনা কৰিবলৈ হুকুম দিলে। হুলস্থুলৰ মাজতে গোলোক নেওগ আৰু মনবৰ নাথে পুলিচ থানাৰ চৌহদলৈ সোমাই থানাৰ ওপৰত জাতীয় পতাকা উত্তোলন কৰিবলৈ গ'ল। পুলিচে তৎক্ষণাৎ গুলীচালনা কৰি মনবৰ নাথক আঘাত কৰি বাটলৈ উলিয়াই দিলে। মহীৰাম কোঁচে থানাৰ ভিতৰত পৰি থকা পতাকাখন আনিবলৈ যাওঁতে তেওঁকো গুলীয়াই নিহত কৰিলে।



- ১৯৪২ চনৰ ৯ অক্টোবৰত তেতিয়াৰ অবিভক্ত শিৱসাগৰ জিলাৰ সৰুপথাৰত এক ৰে'ল দুৰ্ঘটনা সংঘটিত হৈছিল। দুৰ্ঘটনাত কেইবাজনো ইংৰাজ লোকৰ মৃত্যু হৈছিল। কুশল কোঁৱৰক এই দুৰ্ঘটনাৰ বাবে দোষী সাব্যস্ত কৰি অন্যায়ভাৱে ফাঁচি দিছিল।
- গহপুৰ থানাত জাতীয় পতাকা উত্তোলন কৰিবলৈ যাওঁতে চৈধ্য বছৰীয়া গাভৰু কনকলতা আৰু মুকুন্দ কাকতি পুলিচৰ গুলীত নিহত হৈছিল। এনেকৈ অসমৰ বিভিন্ন ঠাইত বিভিন্ন ঘটনা সংঘটিত হৈছিল। ফলত বহুতো লোকৰ মৃত্যু হৈছিল আৰু বহুতোলোক ঘুণীয়া হৈছিল। তেওঁলোক আমাৰ **জাতীয় ছহিদ।**

### ভাৰত ত্যাগ আন্দোলনৰ মহান ছহিদসকলক আমি সোঁৱৰো আহা —

**কনকলতা, মুকুন্দ কাকতি, মহীৰাম কোঁচ, মনবৰ নাথ, নুমলী নাথ, মণি কছাৰী, নিধানু ৰাজবংশী, কমলামিৰি, ভোগেশ্বৰী ফুকননী, লক্ষীকান্ত হাজৰিকা, ঠগীৰাম সুত, ৰাউতৰাম দাস, মংগ্ৰী, মদন চন্দ্ৰ বৰ্মন, কুশল কোঁৱৰ, তিলক ডেকা, ৰাউতা কছাৰী আদি।**

### দলত আলোচনা কৰি লিখা—

- স্বাধীনতা সংগ্ৰামীসকলে কৰা আন্দোলনৰ পৰা আমাৰ কি কি উপকাৰ হ'ল?



ভাৰত ত্যাগ আন্দোলনৰ পিছত ইংৰাজ চৰকাৰে ভাৰতবৰ্ষখন তেওঁলোকৰ অধীনত ৰখাটো সম্ভৱ নহ'ব বুলি অনুভৱ কৰে। সেইমতে ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখত আমাৰ দেশৰ শাসনভাৰ দেশবাসীৰ হাতত গতাই দিয়ে। তেতিয়াৰ পৰাই আমাৰ দেশখন স্বাধীন হয়, সেইবাবে আমি ১৫ আগষ্টৰ দিনটো **স্বাধীনতা দিৱস** হিচাপে পালন কৰোঁ।

- অসমৰ কেইগৰাকীমান স্বাধীনতা সংগ্ৰামীৰ ফটো সংগ্ৰহ কৰি এলবাম প্ৰস্তুত কৰা।

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) ইয়াণ্ডাবু সন্ধি কাৰ কাৰ মাজত হৈছিল?

(খ) ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম বুলিলে কোনটো বিদ্ৰোহক জনা যায়?

(গ) অসমত হোৱা চিপাহী বিদ্ৰোহৰ গুৰি ধৰোঁতা ব্যক্তিগৰাকী কোন আছিল?

(ঘ) কোন চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা অসমৰ শাসনভাৰ বৃটিছ চৰকাৰে লয়?

(ঙ) পথৰুঘাটত হোৱা কৃষক বিদ্ৰোহত বৃটিছৰ গুলীত কেইগৰাকী ব্যক্তি ছহিদ হৈছিল?

২। খালী ঠাই পূৰ কৰা—

(ক) খাজনা বৃদ্ধিৰ প্ৰতিবাদত অসমৰ কৃষকসকলে __________ বিদ্ৰোহ কৰিছিল।

(খ) __________ নেতৃত্বত সমগ্ৰ ভাৰতত অহিংস গণতান্ত্ৰিক আন্দোলন আৰম্ভ হৈছিল।

(গ) ১৮২৬ চনত বৃটিছ শাসনৰ বিৰোধিতা কৰা প্ৰথম অসমীয়া ব্যক্তি আছিল __________ আৰু __________।

(ঘ) __________ চনত পিয়লি ফুকনে ইংৰাজক অসমৰ পৰা খেদিবলৈ বিদ্ৰোহ কৰিছিল।

৩। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| ইয়াণ্ডাবু সন্ধি | ১৯৩০-৩২ চনত |
| আইন অমান্য আন্দোলন | ১৯২০-২১ চনত |
| অসহযোগ আন্দোলন | ১৮২৬ চনত |
| চিপাহী বিদ্ৰোহ | ১৯৪২ চনত |
| ভাৰত ত্যাগ আন্দোলন | ১৮৫৭ চনত |

৪। শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা—

(ক) স্বাধীন হোৱাৰ আগতে ভাৰতবৰ্ষ ফৰাছী/পৰ্তুগীজ/ইংৰাজৰ অধীনত আছিল।

(খ) ভাৰতবৰ্ষ ১৯৪৭/১৯৪৪/১৯৪৫ চনৰ ১৫ আগষ্ট তাৰিখে স্বাধীন হয়।

(গ) ১৮৬১/১৮৯৪/১৮৪২ চনত ইংৰাজসকলে আইন কৰি আফু খেতি বন্ধ কৰিছিল।

(ঘ) আহোম ৰজাসকলে ২০০/৬০০/৪০০ বছৰ অসমত ৰাজত্ব কৰিছিল।

৫। চমুটোকা লিখা—

(ক) পথৰুঘাটৰ ৰণ (খ) ৰঙিয়াৰ ৰাইজ মেল (গ) ফুলগুৰিৰ ধেৱা